4 (Sem–3/CBCS) ITLP HC/RC

2022

COMMERCE

(Honours/Regular)

Paper : COM–HC– 3026/COM–RC–3026

(Income Tax Law and Practice)

Full Marks : 60

Time : Three hours

The figures in the margin indicate full marks for the questions.

Answer ***either*** *in English* ***or*** *in Assamese.*

1. Answer ***any seven*** of the following questions as directed : 1×7=7

তলত দিয়া প্ৰশ্নবোৰৰ পৰা *যিকোনো সাতটা* প্ৰশ্নৰ নিৰ্দেশানুসাৰে উত্তৰ লিখা ঃ

(a) As per section 2(7), a person by whom any tax or other sum of money is payable under the Income Tax Act is known as ———. *(Fill in the blank)*

ধাৰা 2(7) অনুসৰি, আয়কৰ আইনৰ অধীনত যিজন ব্যক্তিয়ে কৰ অথবা অন্য যিকোনো অর্থ আদায় দিব লগা আছে তেওঁক —— কোৱা হয়। *(খালি ঠাই পূৰণ কৰা)*

(b) "Assessment Year" means the period starting from 1st April and ending on —— of the next year. *(Fill in the blank)*

'মূল্যায়ন বছৰ'ৰ অর্থ হৈছে যি কালছোৱা এপ্ৰিল মাহৰ ১ তাৰিখে আৰম্ভ হয় আৰু পৰবর্তী বছৰৰ —— তাৰিখে অন্ত পৰে। *(খালি ঠাই পূৰণ কৰা)*

(c) Perquisites cannot be given in monetary form. *(State whether the statement is true **or** false)*

আনুষঙ্গিক সা-সুবিধা (Perquisite) টকাৰ অংকেৰে দিয়া না যায়। *(উক্তিটো শুদ্ধ নে অশুদ্ধ উল্লেখ কৰা)*

(d) Income-tax is an annual tax on ——. *(Fill in the blank)*

আয়কৰ হ'ল —— ৰ ওপৰত আৰোপ কৰা এটা বছৰেকীয়া কৰ। *(খালি ঠাই পূৰণ কৰা)*

(e) Residential status is determined with reference to the individual's physical presence in India. *(State whether the statement is true **or** false)*

ব্যক্তি এজনৰ ভাৰতবর্ষত শাৰীৰিক উপস্থিতিক ভিত্তি কৰি তেওঁৰ বাসস্থান সম্বন্ধীয় স্থিতি নির্ণয় কৰা হয়।

(উক্তিটো শুদ্ধ নে অশুদ্ধ উল্লেখ কৰা)

(f) Agricultural land in a rural area in India in excluded from the definition of "Capital Assets". *(State whether the statement is true **or** false)*

ভাৰতবর্ষত গ্ৰাম্য এলাকাত অবস্থিত কৃষিভূমি "মূলধনী সম্পত্তি"-ৰ সংজ্ঞাৰ পৰা বহির্ভূত।

(উক্তিটো শুদ্ধ নে অশুদ্ধ উল্লেখ কৰা)

(g) Section 10 of the Income Tax Act deals with —— income. *(Fill in the blank)*

আয়কৰ আইনৰ 10 ধাৰা —— আয়ৰ লগত জড়িত। *(খালি ঠাই পূৰণ কৰা)*

(h) Income from the sale of a portion of fixed assets is taxable under the head ——. *(Fill in the blank)*

স্থায়ী সম্পত্তিৰ এটা অংশ বিক্ৰী কৰি পোৱা আয় —— শিতানৰ অধীনত কৰযোগ্য হয়।

(খালি ঠাই পূৰণ কৰা)

(i) The year in which income is earned is known as Assessment year and the year in which it is taxable is known as Previous year. *(State whether the statement is true **or** false)*

যিটো বছৰত আয় অর্জন কৰা হয় তাক মূল্যায়ন বছৰ আৰু উক্ত আয় যিটো বছৰত কৰযোগ্য হয় তাক পূর্ববর্তী বছৰ কোৱা হয়। *(উক্তিটো শুদ্ধ নে অশুদ্ধ উল্লেখ কৰা)*

(j) Under the Income Tax Act, 1961, what is the status of Gauhati University as a 'Person'?

আয়কৰ আইন, 1961 অনুসৰি, 'ব্যক্তি' হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ মর্যাদা কি হয়?

(k) Tax Liability of an Assessee depends upon his/her Residential status.

*(State whether the statement is true **or** false)*

এজন কৰযোগ্য ব্যক্তিৰ কৰ দেনা তেঁওৰ বাসস্থান সম্বন্ধীয় স্থিতিৰ ওপৰত নির্ভৰ কৰে।

(উক্তিটো শুদ্ধ নে অশুদ্ধ উল্লেখ কৰা)

(l) Agricultural income is taxable under section 10 (1) of the Income Tax Act, 1961. *(State whether the statement is true **or** false)*

কৃষিজাত আয়, আয়কৰ আইন 1961-ৰ 10(1) ধাৰা মতে কৰযোগ্য হয়।

(উক্তিটো শুদ্ধ নে অশুদ্ধ উল্লেখ কৰা)

2. Answer ***any four*** of the following questions : 2×4=8

তলত দিয়া প্রশ্নবোৰৰ পৰা *যিকোনো চাৰিটাৰ* উত্তৰ লিখা ঃ

(a) Explain the term 'short term capital gain'.

'হ্রস্বম্যাদী মূলধনী আয়'ৰ অর্থ ব্যাখ্যা কৰা।

(b) State the meaning of Assessment year as per the Income Tax Act, 1961.

আয়কৰ আইন, 1961 অনুসৰি কৰ নির্ধাৰণী বর্ষৰ অর্থ লিখা।

(c) Explain the meaning of long-term capital gain.

দীর্ঘম্যাদী মূলধনী আয়ৰ অর্থ ব্যাখ্যা কৰা।

(d) State the meaning of 'Uniform Previous year' as per the Income Tax Act, 1961.

আয়কৰ আইন, 1961 অনুসৰী 'একেৰূপ পূর্ববর্তী বছৰ'ৰ অর্থ লিখা।

(e) State the meaning of income.

আয়ৰ অর্থ লিখা।

(f) Define "Person" as per Income Tax Act, 1961.

আয়কৰ আইন, 1961 অনুসৰি 'ব্যক্তি'ৰ সংজ্ঞা দিয়া।

(g) State the meaning of agricultural income.

কৃষিজাত আয়ৰ অৰ্থ লিখা।

(h) Define 'Assessee' as per Income Tax Act, 1961.

আয়কৰ আইন 1961 অনুসৰি 'কৰযোগ্য ব্যক্তি'ৰ সংজ্ঞা লিখা।

3. Answer ***any three*** questions : 5×3=15

যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ

(a) Explain the steps involved in the determination of Gross Annual Value of a House Property.

গৃহ-সম্পত্তিৰ মুঠ বাৰ্ষিক মূল্য নিৰ্ধাৰণ কৰাৰ পদক্ষেপবোৰ ব্যাখ্যা কৰা।

(b) From the following information of Umacharan Pandey for the financial year ended on 31st March, 2022, compute his taxable income for the Assessment Year 2022-23 :

(i) Umacharan Pandey is a resident and ordinarily resident in India.

(ii) He is a partner in a limited liability partnership. His share of profit from the firm is Rs. 14,00,000.

(iii) He is a member of a Hindu Undivided Family. His share of profit from the HUF is Rs. 7,00,000.

(iv) During the previous year, Umacharan Pandey received a scholarship of Rs. 80,000 from Taxmann Education Society.

(v) He is employed by a company on part time basis. Annual salary (after standard deduction) is Rs. 6,00,000.

(vi) Interest on Government securities is Rs. 90,000.

(vii) He is eligible for a deduction of Rs. 30,000 under section 80C.

31 মার্চ, 2022 তাৰিখে অন্তপৰা আৰ্থিক বছৰটোৰ বাবে উমাচৰণ পাণ্ডেৰ তলত দিয়া তথ্যবোৰৰ পৰা, 2022-23 কৰ নিৰ্ধাৰণী বৰ্ষৰ বাবে তেঁওৰ কৰযোগ্য আয় নিৰ্ণয় কৰা।

(i) উমাচৰণ পাণ্ডে এজন 'বাসিন্দা আৰু সাধাৰণ বাসিন্দা' হয়।

(ii) তেঁও এটা সীমাবদ্ধ দেনা অংশীদাৰী প্ৰতিষ্ঠানৰ অংশীদাৰ। প্ৰতিষ্ঠানৰ পৰা তেঁওৰ লাভৰ অংশ 14,00,000 টকা।

(iii) তেঁও এটা অবিভক্ত হিন্দু পৰিয়ালৰ (HUF) সদস্য। HUF-ৰ পৰা তেঁওৰ লাভৰ অংশ 7,00,000 টকা।

(iv) পূৰ্ববতী বছৰৰ কালছোৱাত, উমাচৰণ পাণ্ডে Taxmann Education Society-ৰ পৰা 80,000 টকা বৃত্তি গ্ৰহণ কৰিছে।

(v) তেঁও এটা কোম্পানীত আংশিক সময়ৰ বাবে কৰ্মৰত। মানক কৰ্তনৰ পিছত তেঁওৰ বাৰ্ষিক দৰমহা 6,00,000 টকা।

(vi) চৰকাৰী বিনিয়োগত সুত 90,000 টকা।

(vii) ধাৰা 80C-ৰ অধীনত তেঁওৰ কৰ্তনযোগ্য আয়ৰ পৰিমাণ 30,000 টকা।

(c) Briefly explain various heads of income.

আয়ৰ বিভিন্ন সীতানবোৰ চমুকৈ ব্যাখ্যা কৰা।

(d) Explain the meaning of "Capital Asset" as per Section 2 (14) of the Income Tax Act, 1961.

আয়কৰ আইন, 1961-ৰ ধাৰা 2 (14) অনুসৰি "মূলধনী সম্পত্তি"-ৰ অৰ্থ ব্যাখ্যা কৰা।

(e) Satish Kumar owns a residential house property in Mumbai. It is let out to Anand Ltd. at a monthly rent of Rs. 40,000. Municipal value of the property is Rs. 2,20,000 and Fair rent is Rs. 4,80,000. Anand Ltd. pays municipal tax. On April 7, 2021, rent is increased from Rs. 40,000 per month to Rs. 50,000 per month with retrospective effect from April 1, 2020. Satish Kumar gets Rs. 1,20,000 (being arrears of rent for the financial year 2020-21) on April 20, 2021.

Find out the net income of Satish Kumar for the Assessment year 2022-23 on the assumption that his income from other sources is Rs. 8,00,000.

সতীশ কুমাৰ মুম্বাই-ত থকা এটা গৃহ-সম্পত্তিৰ মালিক। সম্পত্তিটো আনন্দ লিমিটেডক মাহেকত 40,000 টকাকৈ ভাড়াত দিয়া হৈছে। সম্পত্তিৰ পৌৰ মূল্যায়ন 2,20,000 টকা আৰু ন্যায্য ভাড়া 4,80,000 টকা হয়। আনন্দ লিমিটেডে পৌৰ কৰ আদায় দিয়ে। এপ্রিল 7, 2021 তাৰিখত মাহিলী ভাড়া 40,000 টকাৰ পৰা 50,000 টকালৈ বৃদ্ধি কৰা হয় আৰু বৃদ্ধিৰ হিচাপ কৰা হ'ব এপ্রিলৰ 1, 2020 তাৰিখৰ পৰা। বিত্তীয় বর্ষ 2020-21-ৰ বকেয়া ভাড়া হিচাপে 2021 চনৰ 20 এপ্রিল তাৰিখে সতীশ কুমাৰে 1,20,000 টকা গ্রহণ কৰিছে।

অন্যান্য উৎসৰ পৰা আয় 8,00,000 প্রাপ্ত হৈছে ধৰি লৈ 2022-23 নির্ধাৰণ বর্ষৰ বাবে সতীশ কুমাৰৰ প্রকৃত আয় নির্ধাৰণ কৰা।

(f) Ramesh Takalkar, who resides in Mumbai, gets Rs. 6,00,000 per annum as basic salary. He receives Rs. 1,20,000 per annum as house rent allowance. Rent paid by him is Rs. 1,00,000 per annum. Find out the amount of taxable house rent allowance for the assessment year 2022-23.

মুম্বাই-ত বসবাস কৰা ৰমেশ টাকালকাৰে 6,00,000 টকা বছৰে মূল দৰমহা হিচাপে পায়। তেওঁ বছৰে ঘৰ ভাড়া বানচ হিচাপে 1,20,000 টকা পায়। বছৰে তেওঁ 1,00,000 টকাকৈ ঘৰ ভাড়া আদায় দিয়ে। 2022-23 নির্ধাৰণী বছৰটোৰ বাবে তেওঁৰ কৰযোগ্য ঘৰ ভাড়া বানচ নির্ধাৰণ কৰা।

(g) Abhinandan Sukla is a Government employee. He gets Rs. 6,00,000 per annum as basic pay. In addition, he receives Rs. 72,000 as entertainment allowance. His actual expenditure on entertainment for official purposes, however, exceeds Rs. 75,000. Find the amount of entertainment allowance that he can claim for deduction.

অভিনন্দন সুকলা এজন চৰকাৰী কর্মচাৰী। তেওঁ বছৰে 6,00,000 মূল দৰমহা হিচাপে পায়। তাৰ লগত, তেওঁ 72,000 টকা আমোদমূলক বানচ হিচাপে পায়। কার্যালয়ৰ বাবে, তেওঁৰ প্রকৃত আমোদমূলক খৰছ 75,000 টকা অধিক হয়।

তেওঁ আমোদমূলক বানচৰ পৰা কিমান টকা কর্তন হিচাপে দাবী কৰিব পাৰে নির্ণয় কৰা।

(h) Write a note on the Deductions available under section 24 in connection with income from house property.

ধাৰা 24-ৰ অধীনত গৃহ-সম্পত্তি আয়ৰ লগত জড়িত কৰ্তনবোৰৰ ওপৰত এটা টোকা লিখা।

4. Answer ***any three*** questions : 10×3=30

যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) Describe the procedure of computation of short term and long term capital gains as per the provisions of the Act.

হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী মূলধনী আয় নিৰ্ধাৰণৰ পদ্ধতি বৰ্ণনা কৰা।

(b) The following are the particulars of income of Mr. Narendra Singh, employed in a private limited company in Kolkata, for the year ended on 31st March, 2022 :

(i) Basic Salary : Rs. 90,000 per month

(ii) Dearness Allowance : Rs. 40,000 per month

(iii) Entertainment Allowance : Rs. 10,000 per month

(iv) Children Education Allowance including hostel expenditure : Rs. 500 per month per child for 2 children

(v) Medical Allowance : Rs. 1,000 per month

(vi) Transport Allowance : Rs. 2,000 per month

(vii) City Compensatory Allowance : Rs. 6,000 per month

(viii) Tiffin Allowance : Rs. 5,000 per month.

Compute his income from salary for the Assessment Year 2022-23.

কলকাতাত এটা বেচৰকাৰী সীমাবদ্ধ কোম্পানীত কৰ্মৰত শ্ৰী নৰেন্দ্ৰ সিঙৰ 31 মাৰ্চ 2022 তাৰিখত অন্তপৰা বছৰটোৰ আয়ৰ বিবৰণ তলত দিয়াৰ দৰে আছিল ঃ

(i) মূল দৰমহা ঃ মাহিলী 90,000 টকা।

(ii) মৰগীয়া বানচ ঃ মাহিলী 40,000 টকা।

(iii) আমোদমূলক বানচ ঃ মাহিলী 10,000 টকা।

(iv) শিশুৰ শিক্ষা বাবদ আৰু ছাত্রাবাসৰ খৰছঃ প্রতিজন শিশুৰ বাবে মাহিলী 500 টকা, দুজন শিশুৰ বাবে।

(v) চিকিৎসা বাবদ ঃ মাহিলী 1,000 টকা।

(vi) যাতায়াত বাবদ ঃ মাহিলী 2,000 টকা।

(vii) নগৰ ক্ষতিপূৰণ বাবদ ঃ মাহিলী 6,000 টকা।

(viii) টিফিন বাবদ ঃ মাহিলী 5,000 টকা।

2022-23 নির্ধাৰণ বর্ষৰ বাবে তেঁওৰ 'দৰমহা' সিতানত আয় নির্ণয় কৰা।

(c) From the following Profit and Loss Account of Joy Prakash (Age : 45 years; resident) for the year ended on 31st March, 2022, ascertain his Gross Total Income for the Assessment Year 2022-23 :

31 মার্চ 2022 তাৰিখত অন্তপৰা বছৰটোৰ বাবে জয় প্রকাশৰ (বয়স 45 বছৰ; বাসিন্দা) তলত দিয়া লাভ লোকচান্ হিচাপৰ পৰা 2022-23 নির্ধাৰণী বর্ষৰ বাবে তেঁওৰ মুঠ আয় নির্ণয় কৰা ঃ

Particulars (বিবৰণ)	Amount (Rs.) (টকা)	Particulars (বিবৰণ)	Amount (Rs.) (টকা)
General Expenses সাধাৰণ খৰছ	26,800	Gross Profits মুঠ লাভ	8,31,000
Bad Debts অনুদ্ধাৰণীয় ঋণ	44,000	Commission দস্তুৰি	17,200
Outstanding Income Tax অপ্রদত্ত আয়কৰ	4,000	Brokerage দালালী	74,000
Insurance (বীমা)	1,200	Sundry Receipts বিবিধ প্রাপ্তি	5,000
Salary to Staff কর্মচাৰীৰ দৰমহা	52,000	Dividend received on shares অংশপত্রৰ ওপৰত প্রাপ্ত লাভাংশ	22,000
Salary to Joy Prakash জয় প্রকাশৰ দৰমহা	1,02,000	Interest on Debentures ঋণপত্রৰ ওপৰত সুত	76,000
Interest on Overdraft অধিকর্ষৰ ওপৰত সুত	8,000		
Medical expenses of Joy Prakash's ailing mother জয় প্রকাশৰ অসুস্থ মাতৃৰ চিকিৎসা খৰছ	84,000		
Interest on Capital of Joy Prakash জয় প্রকাশৰ মূলধনৰ ওপৰত সুত	46,000		
Depreciation অবক্ষয়	96,000		
Advertisement Expenditure বিজ্ঞাপন খৰছ	14,000		
Contribution to Employees' Recognised Provident Fund কর্মচাৰীৰ মান্যতাপ্রাপ্ত ভবিষ্যনিধিলৈ অবিহনা	26,000		
Net Profit প্রকৃত লাভ	5,21,200		
Total	**10,25,200**	**Total**	**10,25,200**

Other information :

অন্যান্য তথ্য :

(i) The amount of depreciation allowable is Rs. 74,300 as per Income Tax Rules.

আয়কৰ নিয়মানুসাৰে অনুমতিযোগ্য অৱক্ষয়ৰ পৰিমাণ 74,300 টকা।

(ii) General expenses includes Rs. 6,800 being the cost of permanent entrance gate of the residence of Joy Prakash.

জয় প্ৰকাশৰ বাসস্থানৰ স্থায়ী প্ৰৱেশদ্বাৰৰ খৰছ সাধাৰণ খৰছৰ অন্তৰ্ভুক্ত হৈছে 6,800 টকা।

(iii) Joy Prakash pays Rs. 9,000 as premium on own life insurance policy of Rs. 1,00,000.

1,00,000 টকাৰ নিজ জীবন বীমা পলিচিৰ ওপৰত জয়প্ৰকাশে 9,000 টকা বীমা কিস্তি হিচাপে আদায় দিয়ে।

(d) State *any five* items of deductions available from Gross Total Income under section 80C of the Income Tax Act and the salient features of this section. 5+5=10

আয়কৰ আইনৰ 80C ধাৰাৰ মতে মুঠ আয়ৰ পৰা কৰ্তনযোগ্য যিকোনো পাঁচটা বিষয় আৰু এই ধাৰাৰ বিশেষ বৈশিষ্ট্যবোৰ উল্লেখ কৰা।

(e) Explain the mode of set off and carry forward of losses.

লোকচানৰ set off আৰু carry forward-ৰ পদ্ধতি ব্যাখ্যা কৰা।

(f) Write short notes on the following : 5+5=10

তলত দিয়াবোৰৰ ওপৰত চমু টোকা লিখা ঃ

(i) On-line filing of returns of income

আয়ৰ প্ৰতিবেদনৰ অনলাইন্ দাখিলকৰণ

(ii) Permanent Account Number

স্থায়ী হিচাপ নম্বৰ

(g) Ramesh is a citizen of India. From the information given below, find out the net income of Ramesh for the assessment year 2022-23 on the assumption that *(i)* Ramesh is resident and ordinarily resident in India, *(ii)* he is resident but not ordinarily resident in India, *(iii)* he is non-resident in India :

ৰমেশ এজন ভাৰতীয় নাগৰিক। তলত দিয়া তথ্যবোৰৰ পৰা 2022-23 নিৰ্ধাৰণী বৰ্ষৰ বাবে ৰমেশৰ প্ৰকৃত আয় নিৰ্ণয় কৰা এনেকৈ ধৰিলৈ যে *(i)* ৰমেশ এজন বাসিন্দা আৰু সাধাৰণ বাসিন্দা, *(ii)* ৰমেশ এজন বাসিন্দা কিন্তু সাধাৰণ বাসিন্দা নহয়, *(iii)* ৰমেশ এজন অ-বাসিন্দা ঃ

Interest on fixed bank deposit in Punjab National Bank, Guwahati Rs. 6,00,000

গুৱাহাটিৰ পাঞ্জাব ন্যাশনাল বেংকত স্থায়ী জমাৰ ওপৰত সুত 6,00,000 টকা

Income from agricultural operations in Nepal (the entire amount is directly received in Nepal and later on remitted to Iran for investment purposes, however, no income is generated during the year out of this investment)

(Agricultural operations are controlled from India by a team of professionals) Rs. 12,00,000

নেপালত কৃষিজাত কাজকৰ্মৰ পৰা আয় (নেপালত আটাইবোৰ আয় প্ৰাপ্ত হোৱাৰ পাছত বিনিয়োগৰ বাবে ইৰাণলৈ পঠোৱা হয়, অবশ্যে বছৰটোৰ ভিতৰত উক্ত বিনিয়োগৰ পৰা কোনো আয়ৰ উৎপত্তি হোৱা নাই)

(কৃষিজাত কাজকৰ্মবোৰ এটা পেশাদাৰী দলৰ দ্বাৰা ভাৰতবৰ্ষৰ পৰা নিয়ন্ত্ৰণ কৰা হয়) 12,00,000 টকা।

Contd.

Salary from UNO Rs.18,00,000

ৰাষ্ট্ৰসংঘৰ পৰা প্ৰাপ্ত দৰমহা 18,00,000 টকা

Income from house property situated in Chennai (rent received in Sri Lanka but on the next day, it is remitted to India) Rs. 9,10,000

চেন্নাইত অবস্থিত গৃহ-সম্পত্তিৰ পৰা আয় (ভাড়া শ্ৰীলংকাত প্ৰাপ্ত হয়, কিন্তু পিছ্‌দিনা, উক্ত ভাড়া ভাৰতবৰ্ষলৈ পঠোৱা হয়) 9,10,000 টকা

Pension received in London (service was rendered in India with a foreign country) Rs. 80,000

লণ্ডনত প্ৰাপ্ত পেনচন (এটা বিদেশী ৰাষ্ট্ৰৰ বাবে ভাৰতবৰ্ষত সেৱা আগবঢ়োৱা হৈছিল) 80,000 টকা

(h) Briefly explain *any five* forms of Return of Income.

আয়ৰ প্ৰতিবেদনৰ *যিকোনো পাঁচটা* ফৰ্ম চমুকৈ ব্যাখ্যা কৰা।